## ১.৬ অসমীয়া ভাষাৰ স্বৰ আৰু ব্যঞ্জনধ্বনি

অসমীয়া ভাষাৰ উচ্চাৰিত ধ্বনিবোৰক বহলভাৱে দুটা ভাগত ভগাব পাৰি — ক) স্বৰধ্বনি খ) ব্যঞ্জনধ্বনি

আমি ধ্বনি উচ্চাৰণ কৰোঁতে হাওঁফাওঁৰ পৰা বতাহ মুখেৰে (কেতিয়াবা নাকেৰেও) উলিয়াই দিওঁ। এই বতাহ ওলাই আহোঁতে ডিঙিৰ পৰা ওঁঠলৈকে বিভিন্ন স্থানত কেতিয়াবা বাধা দিয়া হয়, কেতিয়াবা বায়ুৰ পথটো ডাঙৰ-সৰু, বা একা-বেঁকা কৰা হয়। সেয়ে বেলেগ বেলেগ ধ্বনি শুনিবলৈ পাওঁ। যেনে — 'প' ধ্বনি উচ্চাৰণ কৰোঁতে ওঁঠ দুখনে বায়ুপ্ৰবাহ বাধা দি আকৌ এৰি দিছে। 'ত' ধ্বনি উচ্চাৰণ কৰোঁতে জিভাৰ আগটোৱে দাঁতৰ গুৰিত খুন্দিয়াই বায়ুপ্ৰবাহক কিছুসময়ৰ বাবে বাধা দিছে। কিন্তু, অ বা আ উচ্চাৰণ কৰোঁতে ক'তো বাধা দিয়া নাই। বাধা দিয়া নাই যদিও বায়ুপ্ৰৱাহৰ বাটটো ডাঙৰ-সৰু কৰিছে। গতিকে—যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্ৰবাহক ক'তো বাধা দিয়া নহয় সেইবোৰেই স্বৰধ্বনি। স্বৰধ্বনিৰ উচ্চাৰণত জিভাখন কোনো ক্ষেত্ৰত কমকৈ ওপৰলৈ উঠে, কোনো ক্ষেত্ৰত বেছিকৈ ওপৰলৈ উঠে, কিন্তু বায়ু ওলোৱা বাট বন্ধ নকৰে। স্বৰ ধনিৰ উচ্চাৰণত ওঁঠ দুখনো কেতিয়াবা দুই কাষৰ পৰা কাষ চাপি প্ৰায় ঘূৰণীয়া আকৃতি লয়, (যেনে— উ উচ্চাৰণত) কেতিয়াবা দুই কাষ মেল খাই দীঘলীয়া আকৃতি লয় (যেনে— এ উচ্চাৰণত)।

অসমীয়া ভাষাত স্বৰধ্বনি আঠোটা — অ, অ', আ, ই, উ, এ, এ' আৰু ও। স্বৰধ্বনিবোৰ বাধা নিদিয়াকৈ উচ্চাৰণ কৰা হয় বাবে এইবোৰক প্ৰবাহ ধ্বনি বোলে।

যিবোৰ ধ্বনি উচ্চাৰণত বায়ুপ্ৰবাহক ডিঙি, তালু, দাঁত, ওঁঠ আদি বিভিন্ন স্থানত বাধা দিয়া হয়, সেইবোৰেই ব্যঞ্জনধ্বনি। ডিঙিত বাধা দি উচ্চাৰণ কৰা ধ্বনিক কণ্ঠ্যধ্বনি বোলে, যেনে — হ। তালুৰ পাছ অংশ, মাজ অংশ আৰু আগ অংশত বাধা দি উচ্চাৰণ কৰা ব্যঞ্জনধ্বনিবোৰক ক্ৰমে পশ্চতালব্য, মূৰ্ধন্য আৰু তালব্য ধ্বনি বোলে। যেনে— অসমীয়া ভাষাত ক, খ পশ্চতালব্য ধ্বনি; সংস্কৃত ভাষাত ণ, ট মূৰ্ধন্য ধ্বনি আৰু শ তালব্য ধ্বনি।

দাঁতৰ গুৰিত বাধা দি উচ্চাৰণ কৰা ধ্বনি দন্তমূলীয়; যেনে— অসমীয়া ত, দ। দাঁতত জিভাখন লাগি বাধা দি উচ্চাৰণ কৰা ধ্বনি দন্ত্যধ্বনি। যেনে— সংস্কৃত ভাষাৰ ত, থ ইত্যাদি। আৰু ওঁঠত বাধা দিয়া ধ্বনিবোৰ ঔষ্ঠ্যধ্বনি (প, ফ আদি)।

অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিবোৰ হ'ল —

| | | | | |
|---|---|---|---|---|
| ক | খ | গ | ঘ | ঙ |
| ত | থ | দ | ধ | ন |
| প | ফ | ব | ভ | ম |
| চ | জ | স | হ | |
| ৰ | ল | | | |

এই ২১-টাই অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি।

ৰ আৰু য় -ৰ উচ্চাৰণ স্বৰধ্বনিৰ দৰেও নহয় ব্যঞ্জনধ্বনিৰ দৰেও নহয়। অৰ্থাৎ ইহঁতৰ উচ্চাৰণত ব্যঞ্জনধ্বনিৰ সমান বাধা নপৰে, বা স্বৰধ্বনিৰ দৰে বাধাহীনো নহয়। সেয়ে ইহঁতক অৰ্ধস্বৰ বা অৰ্ধব্যঞ্জন বোলা হয়।

## ১.৭ অসমীয়া ভাষাৰ আখৰ

অসমীয়া ভাষাত ধ্বনিতকৈ আখৰৰ সংখ্যা বেছি। এটা ধ্বনি বুজাবলৈ এক বা একাধিক আখৰো ব্যৱহাৰ হয়। আঠটা স্বৰধ্বনিক বুজাবলৈ ১১টা আৰু ২৩টা ব্যঞ্জনধ্বনিক বুজাবলৈ ৪১টা আখৰৰ প্ৰয়োগ হয়। সাধাৰণতে অ আৰু অ' — এই স্বৰধ্বনি দুটাক বুজাবলৈ এটা আখৰ — অ আৰু একেদৰে এ আৰু এ' আখৰ দুটা সূচাবলৈ— এ আখৰটো ব্যৱহাৰ কৰা হয় যদিও কেতিয়াবা অ' আৰু এ' ধ্বনি বুজাবলৈ (-') চিহ্নটিও ব্যৱহাৰ কৰা হয়। যেনে — গ'ল, বে'ল, ইত্যাদি। তলত অসমীয়া ভাষাৰ ধ্বনিসমূহ সূচিত কৰিবলৈ ব্যৱহাৰ হোৱা বিভিন্ন আখৰসমূহৰ এখন তালিকা দাঙি ধৰা হ'ল —

| অসমীয়া স্বৰ ধ্বনি | ব্যৱহৃত আখৰ |
|---|---|
| অ | অ |
| অ' | অ (-') |
| আ | আ (া) |
| ই | ই, ঈ (ি, ী) |
| উ | উ, ঊ (ু, ূ) |
| এ | এ (ে) |
| এ' | এ (ে, -') |
| ও | ও (ো) |

| অসমীয়া ব্যঞ্জন ধ্বনি | ব্যৱহৃত আখৰ |
|---|---|
| ক | ক |
| খ | খ |
| গ | গ |
| ঘ | ঘ |
| ঙ | ঙ, ং |
| চ | চ, ছ ব্যঞ্জনযুক্ত শ, ষ আৰু স |
| জ | জ, ঝ, য (্য) |
| ত | ত, ট, ৎ |
| থ | থ, ঠ |
| দ | দ, ড |
| ধ | ধ, ঢ |

| | |
|---|---|
| ন | ন, ণ |
| প | প |
| ফ | ফ |
| ব | ব |
| ভ | ভ |
| ম | ম |
| ৰ | ৰ, ড় ( ́, ্ৰ) |
| ল | ল |
| স | শ, ষ, স |
| হ | হ, ঃ |
| ৱ | ৱ (ও, উ) |
| য় | য়, এ (ই) |

মন কৰিব যে, অসমীয়া ভাষাত ঐ আৰু ঔ-ক দ্বিস্বৰ বোলা হয়। কাৰণ ইহঁত দুটা দুটাকৈ স্বৰধ্বনিৰ সমষ্টি — ঐ = অ'+ই আৰু ঔ=অ'+উ। আৰু এটা কথা মন কৰিব যে, সংস্কৃতত ধ্বনি আৰু আখৰৰ মাজত সম্পূৰ্ণ সম্পৰ্ক অটুট আছিল; ধ্বনি যিমান উচ্চাৰিত হৈছিল আখৰো সিমান আছিল। কিন্তু অসমীয়াত আখৰসমূহ সংস্কৃতৰ দৰে একে থাকিল। কিন্তু সংস্কৃতৰ উচ্চাৰণ বহুক্ষেত্ৰত অসমীয়াত বিলোপ ঘটিল বা নতুন উচ্চাৰণৰ সৃষ্টি হ'ল। আনহাতে ধ্বনিৰ উচ্চাৰণ আৰু আখৰৰ ক্ষেত্ৰত অসমীয়া ভাষাত থকা পাৰ্থক্যৰ বাবে লিখোতে বানানৰ ক্ষেত্ৰত খেলিমেলি লাগে। যেনে — 'পানী' আৰু 'পানি' — উচ্চাৰণৰ পাৰ্থক্য নাই। কিন্তু লিখোতে 'পানী'-ৰ ঠাইত 'পানি' লিখিলে ভুল হ'ব। উচ্চাৰণৰ পাৰ্থক্য নাই বুলি বানান একে লিখিলে অৰ্থৰ সলনি হ'ব। সেয়ে বানান অনুশীলনৰ মাজেদি আয়ত্ব কৰি ল'ব লাগে।